জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ১০/২০২২**

# ৰাজ্যখনৰ কৃষকসকলৰ পৰা ১০ লাখ মেট্ৰিক টন ধান ক্ৰয় কৰিব চৰকাৰী সংস্থাসমূহে

## অহা ১৬ জানুৱাৰীত ধান ক্ৰয় সম্বন্ধে সজাগতা সৃষ্টিৰ বাবে সমগ্ৰ ৰাজ্যজুৰি অনুষ্ঠিত হ'ব বিশেষ গাঁও সভা

**দিছপুৰ, ১১ জানুৱাৰী ঃ** ধান ক্ৰয় অভিযান ত্বৰান্বিত তথা এই সম্বন্ধে কৃষকসকলৰ মাজক উপযুক্ত সজাগতা সৃষ্টিৰ উদ্দেশ্যে অহা ১৬ জানুৱাৰীত সমগ্ৰ ৰাজ্যখনতে বিশেষ গাঁও সভা অনুষ্ঠিত কৰা হ'ব। আজি জিলা উপায়ুক্ত, চক্ৰ বিষয়া, জিলা কৃষি বিষয়া আৰু কৃষি উন্নয়ন বিষয়াসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে হোৱ এক বৈঠত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কথা ঘোষণা কৰে।

ভিডিঅ' কনফাৰেন্সত খাদ্য আৰু অসামৰিক যোগান তথা গ্ৰাহক পৰিক্ৰমা, কৃষি, ৰাজহ বিভাগৰ জ্যেষ্ঠ বিষয়াসকলৰ উপৰি ভাৰতীয় খাদ্য নিগমৰ আঞ্চলিক কাৰ্যালয়ৰ প্ৰতিনিধিৰ লগতে এ এফ চি এছ চি এল, নাফেড, নাকভ, এন চি চি এফ আৰু অসম ৰাজ্যিক কৃষি বিপণন পৰিষদৰ বিষয়ববীয়াসকলে অংশ গ্ৰহণ কৰে।

জনতা ভৱনত অনুষ্ঠিত এই বৈঠকত খাদ্য আৰু অসামৰিক যোগান তথা গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, ৰাজহ বিভাগৰ মন্ত্ৰী যোগেন মোহন উপস্থিত থকাৰ উপৰি গোলাঘাটৰ পৰা ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰ জৰিয়তে কৃষি মন্ত্ৰী অতুল বৰাই অংশগ্ৰহণ কৰে। ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে হোৱা এই বৈঠকত কেইবাগৰাকীও সাংসদ আৰু বিধায়কসকলেও অংশগ্ৰহণ কৰে।

বৈঠকত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে প্ৰতি বছৰে ৰাজ্যখনৰ কৃষকসকলে প্ৰায় ৮০ লাখ মেট্ৰিক টন ধান উৎপাদন কৰে। কিন্তু ধান ক্ৰয়ৰ উপযুক্ত ব্যৱস্থাপনা তথা পৰিকাঠামো আৰু সংঘবদ্ধ প্ৰয়াস নোহোৱাৰ বাবে কৃষকৰ এই ধান মধ্যভোগীয়ে ক্ৰয় কৰে আৰু ইয়াৰ ফলশ্ৰুতিত কৃষকসকলে উপযুক্ত দৰ লাভ কৰাৰ পৰা বঞ্চিত হ'বলগীয়াত পৰে। সেয়েহে ৰাজ্য চৰকাৰে এই পৰিস্থিতিৰ অৱসান ঘটাব বিচাৰিছে যাতে কৃষকসকল অৰ্থনৈতিকভাৱে লাভান্বিত হ'ব পাৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰখনৰ ঐকান্তিক প্ৰচেষ্টাৰ ফলশ্ৰুতিত কেন্দ্ৰীয় চৰকাৰ তথা ভাৰতীয় খাদ্য নিগম, এ এফ চি এছ চি এল, নাফেড, নাকভ, এন চি চি এফ আৰু অসম ৰাজ্যিক কৃষি বিপণন পৰিষদৰ লেখীয়া সংস্থাসমূহে ৰাজ্যখনৰ কৃষকসকলৰ পৰা ১০ লাখ মেট্ৰিক টন ধান ন্যুনতম সমৰ্থন মূল্য প্ৰতি কুইণ্টলত ১৯৪০ টকাত ক্ৰয় কৰাৰ বাবে সন্মতি প্ৰদান কৰিছে। যিহেতুকে ৰাজ্যখনৰ সকলোবোৰ ভূমি নথি ধৰিত্ৰী প'ৰ্টেলত অন্তৰ্ভুক্ত হোৱা নাই সেয়েহে কেন্দ্ৰীয় চৰকাৰে ৩০ ছেপ্টেম্বৰ পৰ্যন্ত কৃষকসকলৰ মেনুৱেল পঞ্জীয়নত

অনুমতি প্ৰদান কৰিছে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে কয় যে ৰাজ্য চৰকাৰে ধান ক্ৰয় ব্যৱস্থাটো এক অভিযান আকাৰে আৰম্ভ কৰাৰ দিশত যাৱতীয় প্ৰস্তুতি চলাইছে। ইতিমধ্যে ১৯৪ টা ধান ক্ৰয় কেন্দ্ৰ ৰাজ্যখনত স্থাপনৰ জাননী জাৰি কৰা হৈছে। ইয়াৰে ১৬৬ টা ধান ক্ৰয় কেন্দ্ৰ ইতিমধ্যে মুকলি কৰা হৈছে বুলি তেওঁ কয়। ধান ক্ৰয়ৰ এই লক্ষ্যত উপনীত হ'ব পাৰিলে ৰাজ্যখনৰ কৃষকসকল বাৰুকৈয়ে লাভান্বিত হোৱাৰ উপৰি ৰাজ্যৰ অৰ্থনীতিত ২ হাজাৰ কোটি ৰাহি হ'ব বুলিও তেওঁ কয়।

বৈঠকত মুখ্যমন্ত্ৰীয়ে ধান ক্ৰয়ৰ সকলো বিষয় সমাধানৰ বাবে জিলা উপায়ুক্ত আৰু অন্যান্য বিষয়াসকলক পথ নিৰ্দেশনা প্ৰদানৰ বাবে খাদ্য আৰু অসামৰিক যোগান তথা গ্ৰাহক পৰিক্ৰমা, কৃষি আৰু ৰাজহ বিভাগৰ প্ৰধান সচিবসকলক লৈ এখন স্থায়ী কমিটী গঠনৰ বাবেও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে কমিটীৰ সদস্যসকলক ধান ক্ৰয় ব্যৱস্থাটো ত্বৰান্বিত কৰাৰ দিশত সহায়ক হোৱাকৈ সাপ্তাহিক ভিত্তিত সংশ্লিষ্ট বিষয়া তথা ক্ৰয় সংস্থাসমূহৰ সৈতে পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰাৰ বাবেও নিৰ্দেশ দিয়ে। তদুপৰি ক্ৰয় প'ৰ্টেলত কৃষকসকলৰ পঞ্জীয়ন ক্ষিপ্ৰতৰ কৰাৰ দিশত সহায়ক হোৱাকৈ তথা মেনুৱেল পঞ্জীয়নৰ কামটো ক্ষিপ্ৰতৰ কৰাৰ বাবে ভূমি সম্বন্ধীয় সকলো বিষয় সামৰি ল'বৰ বাবে মুখ্যমন্ত্ৰী ড° শৰ্মাই কৃষকসকললৈ প্ৰয়োজনীয় প্ৰমাণপত্ৰ প্ৰদানৰ বাবে চক্ৰ বিষয়া, গাঁওবুঢ়া আৰু লাট মণ্ডলসকলক কৰ্তৃত্ব প্ৰদান কৰাৰ বাবেও নিৰ্দেশ দিয়ে।

এই পদক্ষেপটো সৰ্বতোপ্ৰকাৰে সফল কৰাৰ বাবে কৃষকসকলৰ মাজত ব্যাপক সজাগতা সৃষ্টিৰ দিশটোৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই ইয়াৰ বাবে ব্যাপক প্ৰচাৰ চলোৱাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। অহা ১৬ জানুৱাৰীত সমগ্ৰ ৰাজ্যখনতে এই সম্পৰ্কে অনুষ্ঠিত হ'বলগীয়া বিশেষ গাঁও সভাত কৃষকসকলে এই অভিযানৰ বিষয়ে অৱগত হোৱাৰ দিশত বিশেষভাৱে সহায় কৰিব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে ধান ক্ৰয় অভিযানক সৰ্বতোপ্ৰকাৰে সফল কৰাৰ বাবে গাঁও সভাসমূহত সাংসদ, বিধায়কসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

মুখ্যমন্ত্ৰীয়ে জিলাসমূহৰ উপায়ুক্তসকলক কৃষকসকলক এই দিশত সজাগ কৰাৰ বাবে চক্ৰ বিষয়া আৰু কৃষি উন্নয়ন বিষয়াসকলক সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰোৱাৰ পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়াৰ উপৰি এই দিশত অগ্ৰগতি লাভৰ বাবে ক্ষেত্ৰ বিষয়া আৰু ক্ৰয় সংস্থাসমূহৰ সৈতে নিয়মিতভাৱে পৰ্যালোচনা কৰাৰ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে জিলা উপায়ুক্তসকলক মইশ্চাৰ মিটাৰ ক্ৰয় কৰাৰ বাবে নিৰ্দেশ দিয়াৰ উপৰি ধান ক্ৰয় কৰা কেন্দ্ৰসমূহত ধানত সংযুক্ত হৈ থকা জলীয় ভাপৰ পৰ্যায় নিৰূপণৰ বাবে কৃষি উন্নয়ন বিষয়াসকলক এই মিটাৰ প্ৰদানৰ ব্যৱস্থা ল'বলৈ কয়। মুখ্যমন্ত্ৰীয়ে খাদ্য আৰু অসামৰিক যোগান তথা গ্ৰাহক পৰিক্ৰমা বিভাগক ৰাজ্যখনত ধান ক্ৰয় কেন্দ্ৰৰ সংখ্যা বৃদ্ধি কৰাৰ পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে যাতে কৃষকসকলে কোনো অসুবিধা নোহোৱাকৈ তেওঁলোকৰ উৎপাদিত ধান বিক্ৰী কৰিব পাৰে। ধান কল উদগণি আঁচনি সম্প্ৰসাৰণৰ প্ৰতি লক্ষ্য ৰাখি মুখ্যমন্ত্ৰীয়ে জিলা উপায়ুক্তসকলক এই আঁচনিৰ লাভালাভৰ বিষয়ে কলৰ স্বত্বাধিকাৰীসকলক উপযুক্ত সজাগতা সৃষ্টিৰ পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে। ধান কল

সমূহৰ স্বত্বাধিকাৰীসকলে উত্থাপন কৰা বিষয়সমূহ সমাধানৰ বাবে ভাৰতীয় খাদ্য নিগমক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়াৰ উপৰি ইয়াৰ বাবে স্থায়ী সমিতি আৰু জিলা প্ৰশাসনৰ সৈতে ক্ৰয় সম্বন্ধীয় বিষয়সমূহ নিষ্পত্তিৰ বাবে সহযোগিতা আগবঢ়োৱাৰ বাবেও নিৰ্দেশ দিয়ে।

**ৰীঃগঃ / বঃভাঃ**
**১১-১-২০২২**